# হেমপ্ৰভা মৰাণৰ কবিতা

**যি কথা নহ’ ল কোৱা**

কিছুমান কথা ক'বলৈ থাকি যায়।
কওঁ, কওঁ বুলিও ওঁঠত
নুফুটে বহু কথা।
যেনেকৈ ডাৱৰে ছানি ধৰিলেও
কেতিয়াবা বৰষুণ নহয়।

যাওঁ যাওঁ বুলিও
ক’ৰবালৈ যোৱা নহয়।
মনৰ বেগতকৈ বহু পিছ পৰি ৰয়
খোজৰ বেগ।
কওঁ কওঁ বুলিও ক'বলৈ থাকি যায়
মনৰ কথা।

কেতিয়াবা হতাশাৰ ছবি আঁকি
মনৰ আকাশত উৰি ফুৰে মেঘ
এচেৰেঙা ৰ'দ ওলাব খোজোতেই
ভাহি আহে দুখৰ ডাৱৰ।

টুকুৰা টুকুৰ সপোনবোৰ
হেৰাই যায় চকুপানী ঢাকি ৰখা
হাঁহিটিৰ আঁৰত।

বুকুৰ মাজত এখন মহাৰণ
ছটফটাই থাকে জীয়া কলিজা
কওঁ বুলি ক’ব নোৱাৰাৰ বেদনাত
উচুপি উঠে সময়
যেন থমকি ৰৈ যাব ওঁঠৰ মাজত অনন্ত কাল।

অভিনয়ৰ সজ্জা সনা চকু-মুখত শুই থাকে
এক প্ৰচণ্ড ক্ষোভৰ জুই।
কওঁ কওঁ বুলিও কোৱা নহয় বহু কথা।
কঁপি উঠা ওঁঠৰ মাজতে হেৰাই যায়
ক'ব নোৱাৰা কথাবোৰ
চিৰদিন চিৰকাল।

**উভতি বয় সোঁৱৰণিৰ নৈ**

ঢৌবোৰ বুকুত লৈ
নদী বৈ যায় নিৰবধি।

সময় নদীৰ অবিশ্ৰান্ত গতি
সোঁৰৰণি নদী বয় উভতি।
কোবাল নহয় গতি
তথাপি থহাই নিয়ে
বথলা বথলে বুকুৰ গড়া।

উচুপনি হৈ নিঠৰুৱা হৈ পৰে হৃদয়ৰ ভাষা।
হেৰাই যায় নিমিষতে ওঁঠৰ আলফুলীয়া হাঁহি।

সোঁৰৰণি মানেই ওভতনি,
ওভতনি মানেই নিঃসংগতা।
সোঁৰৰণি আহিব নোৱাৰে বুলিতো কথা নাই।

নিজেই নিজৰ লগত কথা পাতি
নিজৰ স'তে মিলি
উভতি যোৱাৰ ক্ষণত
কাৰোবাৰ অভয় বাণীত
পাৰি জানো পাহৰিব
গড়া থহাৰ দুখ হৃদয় নদীৰ?
পাৰি জানো বাধা দিব ওভতনি গতি?